# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 23-05-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। ভাৰত আৰু চাইপ্ৰাছৰ মাজত ছেমি কণ্ডাক্টৰ, মহাকাশ আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ দৰে নতুন আৰু বিকশিত খণ্ডত সহযোগিতাৰ বাবে অযুত সম্ভাৱনা আছে বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰকাশ কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু চাইপ্ৰাছৰ ৰাষ্ট্ৰপতি নিক'ছ ক্ৰিষ্ট'ড'লিদেছে সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত বহুপাক্ষিক প্ৰচেষ্টা শক্তিশালী কৰাৰ বাবে আহ্বান জনাইছে।

৩। প্ৰধানমন্ত্ৰী মোদীয়ে আজি ঊনবিংশ ৰোজগাৰ মেলাৰ জৰিয়তে দেশৰ ৫১ হাজাৰৰো অধিক নৱ নিযুক্ত যুৱক-যুৱতীক নিযুক্তি পত্ৰ প্ৰদান কৰিব।

৪। চৰকাৰৰ জনকল্যাণমূলক আঁচনিসমূহৰ সুবিধা নাগৰিকসকলে সময়মতে আৰু সহজে লাভ কৰা উচিত বুলি কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহানে প্ৰকাশ কৰিছে। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা হায়দৰাবাদত অনুষ্ঠিত এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুক ৫৫ ৰানত পৰাস্ত কৰে।

ooooo

ভাৰত আৰু চাইপ্ৰাছৰ মাজত ছেমি কণ্ডাক্টৰ, মহাকাশ আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ দৰে নতুন আৰু বিকশিত খণ্ডত সহযোগিতাৰ বাবে অযুত সম্ভাৱনা আছে বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰকাশ কৰিছে। কালি ৰাষ্ট্ৰপতি ভৱনত চাইপ্ৰাছৰ ৰাষ্ট্ৰপতি নিক'ছ ক্ৰিষ্ট'ড'লিদেছ আৰু তেওঁ প্ৰতিনিধিবৰ্গৰ সন্মানাৰ্থে আয়োজন কৰা ভোজমেলৰ পাছত শ্ৰীমুৰ্মুৱে এনেদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে প্ৰযুক্তি আৰু উদ্ভাৱন দ্বিপাক্ষিক সম্পৰ্কৰ দিশত গুৰুত্বপূৰ্ণ ক্ষেত্ৰ হিচাপে বিবেচিত হৈছে। ৰাষ্ট্ৰপতিগৰাকীয়ে ভাৰতৰ যুৱ দক্ষতা, প্ৰযুক্তিগত সামৰ্থ আৰু ষ্টাৰ্টআপ পৰিস্থিতি তন্ত্ৰ, চাইপ্ৰাছৰ উদ্ভাৱন পৰিস্থিতি তন্ত্ৰৰ পূৰিপূৰক হ'ব পাৰে। তেওঁ ছেমি কণ্ডাক্টৰ, নৱীকৰণযোগ্য শক্তি, সেউজ শক্তি, মহাকাশ, বহনক্ষম উন্নয়ন আৰু কৃত্ৰিম বুদ্ধিমত্তাকে ধৰি বিভিন্ন খণ্ডত সহযোগিতাৰ শক্তিশালী সম্ভাৱনাৰ ওপৰত আলোকপাত কৰে। তেওঁ লগতে সীমান্তৰ ইপাৰৰ সন্ত্ৰাসবাদ আৰু বহপাক্ষিক প্ৰতিষ্ঠানসমূহৰ সংস্কাৰৰ দৰে গুৰুত্বপূৰ্ণ বিষয়সমূহত চাইপ্ৰাছৰ সমৰ্থনৰ শলাগ লয়। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে চাইপ্ৰাছৰ সাৰ্বভৌমত্ব, ঐক্য আৰু ভৌগোলিক অখণ্ডতাৰ ক্ষেত্ৰত ভাৰতৰ পূৰ্ণ সমৰ্থনৰ কথা দোহাৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু চাইপ্ৰাছৰ ৰাষ্ট্ৰপতি নিক'ছ ক্ৰিষ্ট'ড'লিদেছে সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত বহুপাক্ষিক প্ৰচেষ্টা শক্তিশালী কৰাৰ বাবে আহ্বান জনাইছে। তেওঁলোকে লগতে ৰাষ্ট্ৰসংঘৰ পৰিকাঠামোৰ ভিতৰত থাকি আন্তঃৰাষ্ট্ৰীয় সন্ত্ৰাসবাদ সন্দৰ্ভত ব্যাপক সন্মিলনক শীঘ্ৰেই চূড়ান্ত ৰূপ দিয়াৰ বাবে আহ্বান জনাইছে। নতুন দিল্লীত কালি দুয়োগৰাকী নেতাৰ মাজৰ বৈঠকৰ অন্তত প্ৰকাশিত এটা যুটীয়া

বিবৃতিত দুয়োপক্ষই ৰাষ্ট্ৰসংঘ আৰু ইউৰোপীয় সংঘই সন্ত্ৰাসবাদী আৰু সন্ত্ৰাসবাদী সংগঠন হিচাপে স্বীকৃতি দিয়া সকলোৰে বিৰুদ্ধে শক্তিশালী আৰু সহযোগিতামূলক ব্যৱস্থা গ্ৰহণৰ বাবে আহ্বান জনায়। দুয়োগৰাকী নেতাই উগ্ৰবাদ, সন্ত্ৰাসবাদৰ বাবে বিত্ত যোগান আৰু ক'লাধন বৈধকৰণ ৰোধৰ বাবে অধিক সহযোগিতাৰ আৱশ্যকতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁলোকে লগতে সন্ত্ৰাসবাদী কাৰ্যকলাপত নতুন তথা উন্নত প্ৰযুক্তিৰ অপব্যৱহাৰ আৰু সন্ত্ৰাসবাদী নিযুক্তি প্ৰতিহত কৰাৰ বাবেও আহ্বান জনায়। সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ কথা দোহাৰি নেতা দুয়োগৰাকীয়ে দুমুখীয়া নীতি, কোনো ৰাজ্যই পোষকতা কৰা সন্ত্ৰাসবাদ অথবা যিকোনো পৰিস্থিতিত সন্ত্ৰাসবাদৰ সপক্ষে কোনোধৰণৰ যুক্তি অস্বীকাৰ কৰে। তেওঁলোকে দ্বিপাক্ষিক সহযোগিতা বৃদ্ধিৰ বাবে সন্ত্ৰাসবাদ প্ৰতিহত কৰিবলৈ এটা যুটীয়া কাৰ্যগোট গঠনৰ ক্ষেত্ৰত স্বাক্ষৰ কৰা বুজাবুজিৰ চুক্তিখনক আদৰণি জনায়। তদুপৰি দুয়োপক্ষই প্ৰতিৰক্ষা আৰু নিৰাপত্তা সহযোগিতা বৃদ্ধি কৰাৰ বাবেও সন্মতি প্ৰকাশ কৰে। এইক্ষেত্ৰত তেওঁলোকে চাইপ্ৰাছ প্ৰতিৰক্ষা আৰু মহাকাশ উদ্যোগ আৰু ভাৰতীয় প্ৰতিৰক্ষা নিৰ্মাণ সংঘৰ মাজত স্বাক্ষৰিত চুক্তিখনক আদৰণি জনায়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে ঊনবিংশ ৰোজগাৰ মেলাৰ জৰিয়তে দেশৰ ৫১ হাজাৰৰো অধিক নৱ নিযুক্ত যুৱক-যুৱতীক নিযুক্তি পত্ৰ প্ৰদান কৰিব। এই প্ৰাৰ্থীসকলে ৰে'ল মন্ত্ৰালয়, গৃহ পৰিক্ৰমা, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়, অৰ্থনৈতিক সেৱা দপ্তৰ, উচ্চ শিক্ষা বিভাগকে ধৰি বিভিন্ন মন্ত্ৰালয় আৰু বিভাগত নিযুক্তি লাভ কৰিছে। এইবাৰৰ ৰোজগাৰ মেলা দেশৰ ৪৭টা স্থানত আয়োজন কৰা হৈছে।

অসমতো উত্তৰ-পূৱ সীমান্ত ৰে'লৱেৰ তত্বাৱধানত আজি গুৱাহাটীৰ মালিগাঁওস্থিত ৰং ভৱন প্ৰেক্ষাগৃহত ঊনবিংশ ৰোজগাৰ মেলাৰ আয়োজন কৰা হৈছে। উত্তৰ-পূৱ সীমান্ত ৰে'লৱেৰ জনসম্পৰ্কৰক্ষী বিষয়াই জনোৱা মতে অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত থাকিব। পুৱা ১০ বজাত আৰম্ভ হ'বলগীয়া অনুষ্ঠানত প্ৰায় ৪০০ নিৰ্বাচিত প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব।

০০০০০

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে চৰকাৰৰ জনকল্যাণমূলক আঁচনিসমূহৰ সুবিধা নাগৰিকসকলে সময়মতে আৰু সহজে লাভ কৰা উচিত বুলি প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি কৃষি আৰু গ্ৰামোন্নয়ন মন্ত্ৰালয়ৰ শীৰ্ষ বিষয়াসকলৰ সৈতে হোৱা এখন উচ্চ পৰ্যায়ৰ পৰ্যালোচনা বৈঠকত শ্ৰীচৌহানে এই কথা প্ৰকাশ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কৃষি, গ্ৰামোন্নয়ন আৰু ভূমি সম্পদকে ধৰি সংশ্লিষ্ট সকলো বিভাগ আৰু প্ৰতিষ্ঠানক অভিযোগ নিষ্পত্তি ব্যৱস্থা শক্তিশালী কৰিবলৈ আৰু এই ব্যৱস্থাক অধিক কাৰ্যকৰী তথা সঁহাৰিজনক কৰি তুলিবলৈ নিৰ্দেশ দিয়ে। তেওঁ লগতে কৃষি আৰু গ্ৰামোন্নয়ন মন্ত্ৰালয়ৰ অধীনৰ বিভাগসমূহত কমেও ১০ জনকৈ বিষয়াৰে গঠিত একোটা দল গঠন কৰিবলৈ নিৰ্দেশ দিয়ে। এই দলসমূহে অভিযোগ, ৰাজহুৱা ওজৰ-আপত্তিকে ধৰি প্ৰতিদিনে বিভিন্ন প'ৰ্টেলযোগে উত্থাপিত হোৱা বিষয় তথা পত্ৰসমূহৰ পৰ্যালোচনা কৰিব। মন্ত্ৰীগৰাকীয়ে সকলো প্ৰক্ৰিয়া সৰলীকৰণ হোৱাৰ উপৰি আওপুৰণি আৰু অপ্ৰাসংগিক নিৰ্দেশনাসমূহ আঁতৰোৱাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বৈঠকত প্ৰশাসনিক ব্যৱস্থাত কৃত্ৰিম বুদ্ধিমত্তা আৰু প্ৰযুক্তিৰ ব্যৱহাৰ সন্দৰ্ভতো আলোকপাত কৰা হয়।

০০০০০

কেন্দ্ৰীয় তদন্তকাৰী সংস্থা— চিবিআইয়ে নীটৰ প্ৰশ্নকাকত ফাদিলৰ গোচৰ সংক্ৰান্তত পুণেৰ পৰা আন এগৰাকী মহিলাক গ্ৰেপ্তাৰ কৰিছে। মহিলাগৰাকীক ৰাষ্ট্ৰীয় পৰীক্ষা সংস্থা, এন টি এই বিশেষজ্ঞ হিচাপে নিযুক্তি দিছিল। নীটৰ প্ৰশ্নকাকত ফাদিলৰ গোচৰ সংক্ৰান্তত চিবিআইয়ে বৰ্তমানলৈকে দিল্লী, জয়পুৰ, গুৰুগ্ৰাম, নাছিক, পুণে, লাটুৰ আৰু অহিল্যা নগৰৰ পৰা ১১ জন লোকক গ্ৰেপ্তাৰ কৰিছে। তদন্তকাৰী সংস্থাটোৱে দেশৰ কেইবাটাও স্থানত তালাচী চলোৱাৰ লগতে লেপটপ, বেংক একাউণ্টৰ তথ্য আৰু মোবাইল ফোনকে ধৰি অপৰাধৰ সৈতে জড়িত বিভিন্ন তথ্যপাতি জব্দ কৰিছে।

ooooo

পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে ভাৰতত পেট্ৰ'ল-ডিজেল পৰ্যাপ্ত পৰিমাণে মজুত আছে আৰু ইয়াৰ যোগান সমগ্ৰ দেশজুৰি সুস্থিৰ হৈ থকাৰ কথা প্ৰকাশ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত মন্ত্ৰালয়ে জনসাধাৰণক অযথা চিন্তিত হৈ প্ৰয়োজনতকৈ অধিক ইন্ধন ক্ৰয় নকৰিবলৈ আহ্বান জনাইছে। কোনো কোনো খুচুৰা ব্যৱসায়ীসকলে দিয়া সাময়িক হেঁচা, তেল বিপণন কোম্পানীসমূহৰ দ্বাৰা নিৰীক্ষণ আৰু নিৰন্তৰ যোগানৰ দ্বাৰা সমাধান কৰা হৈছে। মন্ত্ৰালয়ে কয়, যে যথাযোগ্য ব্যৱহাৰ আৰু জনসাধাৰণৰ সহযোগিতাই উচ্চ চাহিদাৰ এই সময়ছোৱাত ইন্ধনৰ উপলভ্যতা নিশ্চিত কৰাত সহায় কৰিব।

ooooo

মাউণ্ট এভাৰেষ্টত ত্ৰিৰংগা উৰুওৱা ইণ্ডো-তিবেবতান সীমান্ত আৰক্ষী- আই টি বি পিৰ মহিলা পৰ্বতাৰোহণকাৰী অভিযাত্ৰীৰ দলটোক কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত শ্ৰীশ্বাহে কয়, যে উচ্চতা আৰু প্ৰতিকূল জলবায়ুকো নেওচি আই টি বি পিৰ অভিযাত্ৰীসকলে এই সাফল্যৰ জৰিয়তে **সবাতোকৈ ৰাষ্ট্ৰ প্ৰথম** মন্ত্ৰকে প্ৰতিফলিত আৰু প্ৰমাণিত কৰিছে।

ooooo

বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ ৰাজ্যমন্ত্ৰী জীতেন্দ্ৰ সিঙে ভাৰতৰ সম্প্ৰসাৰিত তথ্য কেন্দ্ৰৰ খণ্ডই দেশত কৃত্ৰিম বুদ্ধিমত্তা ব্যৱস্থা, কুলিং প্ৰযুক্তি, স্মাৰ্ট গ্ৰীড, নৱীকৰণযোগ্য শক্তি আৰু উন্নত ডিজিটেল আন্তঃগাথনি খণ্ডত প্ৰায় এক লাখ অভিযান্ত্ৰিক চাকৰিৰ সুযোগ সৃষ্টি কৰিব বুলি আশা প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি আমেৰিকাৰ চেম্বাৰ অৱ কমাৰ্চে আয়োজন কৰা বাৰ্ষিক নেতৃত্ব সন্মিলনক সম্বোধন কৰি এই কথা প্ৰকাশ কৰে। তৈলখণ্ডৰ অৰ্থনীতিৰ পিছতে ডাটা কেন্দ্ৰসমূহক অতি গুৰুত্বপূৰ্ণ দিশ বুলি উল্লেখ কৰি শ্ৰীসিঙে কয় যে ডাটা নিয়ন্ত্ৰণ, ডিজিটেল আন্তঃগাথনি আৰু সুৰক্ষিত প্ৰযুক্তি ব্যৱস্থাৰ সৈতে ভৱিষ্যত ওতঃপ্ৰোতভাৱে জড়িত হৈ থাকিব। তেওঁ কয় যে ভাৰত এনে এটা পৰ্যায়ত প্ৰৱেশ কৰিছে য'ত ডাটা কেন্দ্ৰ, কৃত্ৰিম বুদ্ধিমত্তা, কোৱাণ্টাম প্ৰযুক্তি আৰু পৰৱৰ্তী প্ৰজন্মৰ ডিজিটেল আন্তঃগাথনিয়ে ভৱিষ্যতৰ গোলকীয় অৰ্থনৈতিক দিশ নিৰ্ণয় কৰিব। মন্ত্ৰীগৰাকীয়ে লগতে জানিবলৈ দিয়ে যে ভাৰতে তথ্য অৰ্থনীতিৰ এটা কৌশলগত ৰাষ্ট্ৰীয় সুযোগ হিচাপে বিবেচনা কৰে যিয়ে বিনিয়োগ, নিয়োগ, শক্তি ব্যৱস্থা আৰু দশক পূৰ্বৰ ভৌগলিক প্ৰত্যাহ্বানসমূহক প্ৰভাৱিত কৰিব।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা হায়দৰাবাদত অনুষ্ঠিত এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুক ৫৫ ৰানত পৰাস্ত কৰে। ছানৰাইজাৰ্ছ হায়দৰাবাদে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৪ উইকেটৰ বিনিময়ত ২৫৫ ৰানৰ বৃহৎ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে। দলৰ হৈ ঈশান কিষাণে সৰ্বাধিক ৭৯ ৰান কৰি আউট নোহোৱাকৈ থাকে। প্ৰত্যুত্তৰত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে

নিৰ্ধাৰিত অভাৰত ৪টা উইকেট হেৰুৱাই ২০০ ৰানহে কৰিবলৈ সমৰ্থ হয়। ৰজত পাটিদাৰে সৰ্বাধিক ৫৬ ৰান কৰে। ঈশান কিষাণক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

ইপিনে যোৱা নিশাৰ খেলখনত জয়লাভ কৰা সত্বেও ছানৰাইজাৰ্ছ হায়দৰাবাদ প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ তৃতীয় স্থানতে থাকে। ইয়াৰ বিপৰীতে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু পইণ্টা তালিকাৰ শীৰ্ষত আছে।

প্ৰতিযোগিতাত আজি লক্ষ্নৌ ছুপাৰ জায়েণ্টছ্ পঞ্জাৱ কিংছ্ৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

সমাপ্ত